# পেচাৱৰত সংঘটিত সন্ত্ৰাসৱাদীৰ আক্ৰমনক প্ৰধানমন্ত্ৰীৰ গৰিহনা

চেপ্তেম্বৰ ২২,২০১৩

আজি পেচাৱৰৰ এটা গীৰ্জা ঘৰত সংঘটিত ভয়ানক শিহৰনকাৰী আত্মঘাটী আক্ৰমন হৈছে সন্ত্ৰাসৱাদীৰ অশুভ শক্তিয়ে গভীৰভাৱে অস্থিৰ কৰি তুলিব পৰা কাৰ্য্যৰ আন এক বহিপ্ৰকাশ। আক্ৰমন সংঘটিত হয় এক সমজুৱা ভাৱে উপাসনা কৰা স্থানত আৰু এই জঘন্য সন্ত্ৰাসৱাদীৰ আক্ৰমনে বহু ডজন প্ৰাৰ্থনা কৰিবলৈ অহা নিৰীহ লোকৰ প্ৰানহানি কৰা ঘটনাই হিংসাৰ এই বিবেকহীন কাৰ্য্যক আৰু অধিক কৰুন কৰি তুলিছে । এনে বৰ্বৰতা পূৰ্ণ কাৰ্য্য সকলো ধৰ্মৰ বিৰোধ ।অতি তীক্ষ্ণ আৰু কঠোৰ ভাষাত ভাৰতে পেচাৱৰত সংঘটিত এই সন্ত্ৰাসবাদী আক্ৰমনক নিন্দা কৰিছে । সংঘটিত ঘটনাত ক্ষতিগ্ৰস্ত লোকৰ পৰিয়ালবৰ্গলৈ আমি গভীৰ ভাৱে সমবেদনা জ্ঞাপন কৰাৰ লগতে  আশা কৰিছো যাতে আক্ৰমনত আঘাটপ্ৰাপ্ত ব্যক্তিসকলে  সোনকালে আৰোগ্য লাভ কৰে ।

নতুন দিল্লী,চেপ্তেম্বৰ ২২,২০১৩